**আত্মমূল্যায়নৰ প্ৰশ্ন - (খ)ঃ**

১) কোন চনত কংগ্ৰেছ নৰমপন্থী আৰু চৰমপন্থী নামেৰে দুটা দলত বিভক্ত হ'ল?

----------------------------------------------------------------

২) চৰমপন্থীসকলৰ অভ্যুত্থানৰ দুটা কাৰণ উল্লেখ কৰা।

----------------------------------------------------------------

----------------------------------------------------------------

৩) দুজন চৰমপন্থী নেতাৰ নাম লিখা।

----------------------------------------------------------------

৪) কিমান চনৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ চৰমপন্থীসকলৰ নিয়ন্ত্ৰণলৈ গৈছিল?

----------------------------------------------------------------

----------------------------------------------------------------

## ২.৩. মুছলীম লীগ ঃ

বৃটিছ শাসনকালত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সমান্তৰালভাৱে গঢ়ি উঠা এটা ৰাজনৈতিক সংগঠন হ'ল মুছলীম লীগ। ১৯০৬ চনত মুছলমান সম্প্ৰদায়টোৰ স্বাৰ্থ ৰক্ষাৰ মানসেৰে এই সংস্থাটো গঠন কৰা হৈছিল। ই মুছলমানসকলৰ মাজত গঢ়ি উঠা পৃথক ৰাজনৈতিক চেতনাৰ ফল বুলি ক'ব পাৰি।

### ২.৩.১ মুছলীম সাম্পদায়িকতাবাদৰ বিকাশ আৰু মুছলীম লীগৰ জন্ম ঃ

ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন হোৱাৰ পিছত ভাৰতৰ মুছলমান সম্প্ৰদায়ৰ মাজতো পৃথক জাতীয় চেতনা গঢ়ি উঠিছিল। ইয়াক মুছলীম সাম্প্ৰদায়িকতাবাদ বুলি ক'ব পাৰি। অবশ্যে মুছলমানসকলৰ মাজত পৃথক জাতীয় চেতনা গঢ়ি উঠাৰ আঁৰত কেতবোৰ কাৰণ নথকা নহয়। বৃটিছসকলে ভাৰতৰ শাসনভাৰ গ্ৰহণ কৰাৰ আগলৈকে মুছলমানসকল ভাৰতৰ শাসনকৰ্তা আছিল। পূৰ্বৰ শাসনকৰ্তা হিচাপে তেওঁলোকে নিজকে হিন্দুসকলতকৈ শ্ৰেষ্ঠ বুলি বিবেচনা কৰিছিল। অন্যহাতে, মুছলমানসকলৰ

প্ৰতি ব্ৰিটিছ চৰকাৰে প্ৰদৰ্শন কৰা নীতিয়েই মুছলমানসকলক অসন্তুষ্ট কৰিছিল। মুছলমানসকলক বৃটিছ চৰকাৰে কেতিয়াও বিশ্বাসত লোৱা নাছিল। সেয়ে ব্ৰিটিছে হিন্দুসকলক সহায় কৰি মুছলমানসকলক ধংস কৰা নীতি গ্ৰহণ কৰিছিল। ব্ৰিটিছৰ এনে বিভাজন আৰু শাসন নীতিয়ে মুছলমানসকলৰ অৱস্হা শোচনীয় কৰি তুলিছিল। মুছলমানসকলক এনে শোচনীয় অৱস্থাৰ পৰা উদ্ধাৰ কৰিবৰ বাবে চাৰ চৈয়দ আহমেদ নামৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন অবসৰ প্ৰাপ্ত বিষয়া আগবাঢ়ি আহিল। এইজনা মুছলমান নেতাই নিজ জতিটোৰ স্বাৰ্থ ৰক্ষাৰ বাবে কাম কৰিবলৈ সিদ্ধান্ত ললে। তেওঁ উপলব্ধি কৰিছিল যে, বৃটিছৰ লগত সহযোগিতা কৰিলেহে তেওঁলোকৰ স্বাৰ্থ পূৰণ হ'ব। সেয়েহে তেওঁ ব্ৰিটিছৰ লগত থকা মতানৈক্য দূৰ কৰি এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপনৰ চেষ্টা কৰিছিল। এই চেষ্টাত তেওঁ সফলো হৈছিল। কাৰণ, ব্ৰিটিছেও ভাৰতীয় জাতীয়তাবাদক দূৰ্বল কৰিবৰ অৰ্থে মুছলমানসকলক কংগ্ৰেছৰ পৰা আঁতৰাই আনি বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিছিল। বংগ বিভাজন ব্ৰিটিছৰ এনে ব্যবস্থাৰে এক ফল আছিল। ব্ৰিটিছ চৰকাৰৰ এনে কাৰ্যই কংগ্ৰেছৰ ভালেমান নেতাক ক্ষুব্ধ কৰিছিল আৰু তিলকৰ দৰে চৰমপন্হী নেতাই স্বৰাজৰ প্ৰস্তাৱ দাঙি ধৰিছিল।১৯০৬ চনত স্বৰাজৰ দাবী উত্থাপন হোৱাৰ পিছত হিন্দু-মুছলমানৰ সম্পৰ্কত সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিল। সেই বছৰতে ভাৰতীয় সমাজ তথা ৰাজনৈতিক ব্যৱস্থাৰ অধিক সংস্কাৰৰ বাবে লৰ্ড মিন্টোৱে এখন কমিটি গঠন কৰি দিয়ে। এই কমিটিখন গঠন হোৱাৰ লগে লগে আগা খাঁনৰ নেতৃত্বত মুছলমানসকলৰ এটা প্ৰতিনিধি দলে লৰ্ড মিন্টোক সাক্ষাৎ কৰি সৰ্ব্বোচ্চ আইন সভাৰ পৰা তলৰ জিলা পৰিষদলৈকে সাম্প্ৰদায়িক ভিত্তিত প্ৰতিনিধি নিৰ্বাচনৰ ব্যবস্থা কৰিবলৈ দাবী জনায়। লৰ্ড মিন্টোৱেও ততালিকে সেই দাবী মানি লৈছিল। এই খিনিতে উল্লেখ কৰিব পাৰি যে, ১৯০৯ চনৰ মৰ্লে-মিন্টো সংস্থাৰ আইনত মুছলমানসকলৰ বাবে পৃথক নিৰ্বাচনৰ ব্যবস্থা অন্তৰ্ভূক্ত কৰা হ'ল। এইদৰে ব্ৰিটিছৰ পৃষ্ঠপোষকতাতে মুছলমানসকলৰ মাজত পৃথক জাতীয় চেতনা গঢ়ি উঠিল। এইক্ষেত্ৰত লৰ্ড মিন্টোৰ ভূমিকা উল্লেখযোগ্য। লৰ্ড মিন্টোৱে মুছলমানসকলক সকলো ক্ষেত্ৰতে সহায় কৰাৰ লগতে এক পৃথক সংস্থা গঠনত উদ্গনি যোগাই আহিছিল। মুছলমান সাম্প্ৰদায়ৰ শিক্ষিত লোকসকলেও কংগ্ৰেছৰ সমান্তৰালভাৱে এটা সংস্হা গঠনৰ কথা ভাবিছিল। এই সন্দৰ্ভত মহম্মদ চাফিয়ে ১৯০১ চনত ভাৰতীয় মুছলীম লীগ গঠনৰ পৰামৰ্শ আগবঢ়াইছিল যদিও সি কাৰ্যকৰী নহ'ল। কিন্তু ১৯০৬ চনৰ ৩০ ডিচেম্বৰত চিমলাত মুছলমানসকলৰ প্ৰতিনিধি দল এটাই মিন্টোক লগ ধৰাৰ ৯০ দিনৰ পিছতে ঢাকাত মুছলীম লীগ গঠন হ'ল।

### ২.৩.২ মুছলীম লীগৰ উদ্দেশ্য ঃ

১৯০৬ চনত মুছলীম লীগৰ জন্ম হৈছিল যদিও ১৯০৭ চনত কৰাচী অধিবেশনতহে এই সংগঠনৰ সংবিধান ৰচনা কৰা হৈছিল আৰু ১৯০৮ চনত লক্ষ্ণৌত সেই সংবিধানক অনুমোদন জনোৱা হৈছিল। নিজ সম্প্ৰদায়টোৰ স্বাৰ্থ ৰক্ষা কৰাই মুছলীম লীগৰ মূল উদ্দেশ্য আছিল যদিও সংবিধানমতে লীগৰ কেইটামান লক্ষ্য স্থিৰ কৰা হৈছিল। সেইবোৰ হ'ল-

১) ভাৰতীয় মুছলমানসকলক বৃটিছ চৰকাৰৰ প্ৰতি আনুগত্য প্ৰদৰ্শনৰ বাবে উদ্গনি যোগোৱা।

২) ভাৰতীয় মুছলমানসকলৰ ৰাজনৈতিক অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰি ৰখা আৰু তেওঁলোকৰ আশা-আকাংক্ষাবোৰ বৃটিছ চৰকাৰৰ ওচৰত দাঙি ধৰা।

৩) ভাৰতত বাস কৰা আন সম্প্ৰদায়সমূহৰ লগতে মুছলমানসকলৰ যিকোনো শত্ৰুভাব গঢ়ি উঠাত বাধা দিয়া।

উল্লেখিত উদ্দেশ্যসমূহৰ জৰিয়তে লীগে নিজকে এক সাম্প্ৰদায়িক সংগঠন হিচাপে চিনাকি দিছিল। কিন্তু লীগৰ কিছুমান সদস্যই এই সাম্প্ৰদায়িক নীতি ভালপোৱা নাছিল। মহম্মদ আলি জিন্নাৰ দৰে প্ৰগতিবাদী নেতাই কংগ্ৰেছৰ লগত একেলগে কাম কৰা নীতিহে সমৰ্থন কৰিছিল। ফলত ১৯১৩ চনত লীগৰ সংবিধান সংশোধন কৰি সকলো সম্প্ৰদায়ৰ লগত সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰা আৰু স্বায়ত্ব শাসন লাভ কৰাটোৱেই লীগৰ উদ্দেশ্য হিচাপে অন্তৰ্ভুক্ত কৰা হ'ল।

### ২.৩.৩ মুছলীম লীগৰ ৰাজনীতি ঃ

এক সাম্প্ৰদায়িক সংগঠন মুছলীম লীগৰ জন্ম হৈছিল আৰু সাম্প্ৰদায়িক সংস্থা হিচাপেই ই বৰ্তি আছিল। ১৯০৬ চনৰ ১৯১৩ চনলৈকে মুছলীম লীগে কংগ্ৰেছৰ পৰা আঁতৰত থাকি সাম্প্ৰদায়িক ৰাজনীতি চলাই আছিল। কিন্তু মৰ্লে-মিন্টো আয়োগৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছৰ কেতবোৰ ঘটনাৱলীয়ে লীগক ইয়াৰ সাম্প্ৰদায়িক চৰিত্ৰ পৰিহাৰ কৰি কংগ্ৰেছৰ সৈতে একেলগে কাম কৰিবলৈ বাধ্য কৰিলে। সেই ঘটনাৱলীৰ ভিতৰত -

১) হিন্দুসকলৰ মনত আঘাট হানি ভাৰতক দ্বি-খণ্ডিত কৰিবলৈ চৰকাৰ আগ্ৰহী নহয় বুলি মুছলমানসকলৰ বিশ্বাস।

২) লৰ্ড হাৰডিলছে হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়ক সমানে সন্তুষ্ট কৰি ৰাখিবলৈ লোৱা নিৰপেক্ষ ভূমিকা।

৩) মুছলীম লীগৰ মুখ্য কাৰ্য্যালয় আলিগড়ৰৰ পৰা লক্ষ্ণৌলৈ স্থানান্তৰিত কৰা।

৪) বলকান যুদ্ধৰ সময়ত তুৰ্কীৰ প্ৰতি বৃটিছ চৰকাৰে দেখুওৱা মনোভাব।

৫) মুছলমান সম্প্ৰদায়ৰ ভালেকেইজন বিশিষ্ট নেতাই বৃটিছৰ তলতীয়া হোৱাতকৈ স্বাধীনতা লাভৰ বাবে কাম কৰিবলৈ লীগক জনোৱা আহ্বান উল্লেখযোগ্য আছিল।

এইদৰে কিছুমান ঘটনাই লীগক কংগ্ৰেছৰ কাষ চপাই অনাত সহায় কৰিছিল। ১৯১৩ চনত লক্ষ্ণৌত বহা লীগৰ অধিবেশনত স্বৰাজ আৰু জাতীয় একতা প্ৰতিষ্ঠাৰ বাবে সকলো সম্প্ৰদায়ৰ মাজত যোগাযোগ ৰক্ষা কৰি ভাৰতীয় জনসাধাৰণৰ মাজত এক জাতীয় জাগৰণ সৃষ্টিৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ই লীগৰ ৰাজনীতিলৈ বৈপ্লৱিক পৰিৱৰ্তন আনে। লীগৰ এনে ৰাজনৈতিক পৰিৱৰ্তনত কংগ্ৰেছ আনন্দিত হৈছিল আৰু ১৯১৩ চনৰ ডিচেম্বৰত কৰাচীত বহা কংগ্ৰেছৰ সভাই লীগক এইক্ষেত্ৰত আদৰণি জনায়। ১৯১৫ চনত বোম্বেত কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশনৰ সময়তে লীগৰ অধিবেশন অনুষ্ঠিত হয় আৰু তাতেই দুয়োটা সংগঠনৰ নেতাসকলে এটা যুটীয়া ফন্ট গঠনৰ বাবে মিলিত হৈছিল। উল্লেখযোগ্য যে, ১৯১৬ চনত স্বাক্ষৰিত কংগ্ৰেছ- লীগ সন্ধিৰ জৰিয়তে সেই উদ্দেশ্যই পূৰ্ণতা লাভ কৰিলে। এইদৰে এৰা-ধৰাৰ মাজতে লীগ আৰু কংগ্ৰেছৰ মাজত সম্পৰ্ক স্থাপন হৈছিল যদিও সেই সম্পৰ্ক স্থায়ী নহ'ল। হিন্দু আৰু মুছলমানৰ মাজৰ সম্পৰ্কত পুনৰ জটিলতা আহি পৰিল।

**২.৩.৪ হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষ ঃ**

কংগ্ৰেছ আৰু মুছলীম লীগৰ যৌথ প্ৰচেষ্টাত হিন্দু আৰু মুছলমানৰ মাজৰ সম্পৰ্ক কিছু উন্নত হৈছিল যদিও ১৯২২ চনৰ পৰা দুয়ো সম্প্ৰদায়ৰ মাজত পুনৰ মনোমালিন্যই দেখা দিয়ে। ১৯২২-৩১ চনৰ মাজৰ সময়ছোৱাত সেই মতানৈক্যই হিংসাত্মক ৰূপ লয়। কাৰণ যি দুটা উপাদানৰ জৰিয়তে হিন্দু মুছলমানৰ মাজত একতা সৃষ্টি হৈছিল সেই উপাদানকেইটা ইতিমধ্যে শেষ হৈ গৈছিল। ১৯২২ চনত অসহযোগ আন্দোলন শেষ হোৱাৰ লগে লগে খিলাফৎ আন্দোলনৰ সামৰণি পৰিল। খিলাফৎ আন্দোলনৰ পিছত লীগৰ জনপ্ৰিয়তা মুছলমানসকলৰ মাজত বৃদ্ধি পাবলৈ ধৰিলে আৰু ই পুনৰ সক্ৰিয় সাম্প্ৰদায়িক ৰাজনীতিলৈ উভটি গ'ল। অন্যহাতে সেই সময়ছোৱাত হিন্দু মহাসভাকে ধৰি ভালেমান সাম্প্ৰদায়িক অনুষ্ঠান গঢ়ি উঠিল। চৰকাৰে হিন্দু-মুছলমানৰ মাজৰ সংঘাত দুৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ পৰিৰ্বতে তেনে সংঘৰ্ষত উচতনিহে দিলে। ফলত দুয়োটা সম্প্ৰদায়ৰ মাজৰ ব্যৱধান ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিলে। অৱশেষত চাইমন আয়োগ ভাৰতলৈ অহাৰ পিছত সৃষ্টি হোৱা সাম্প্ৰদায়িক ৰাজনীতিত দুয়োটা সম্প্ৰদায়ৰ মাজৰ সম্পৰ্ক শেষ হোৱাৰ উপক্ৰম হ'ল।

**আত্মমূল্যায়নৰ প্ৰশ্ন- (গ)ঃ**

১) মুছলীম লীগ কেতিয়া গঠিত হৈছিল?

---------------------------------------------------------------

২) কোনখন সংস্কাৰ আইনত পোনপ্ৰথমবাৰৰ বাবে মুছলমানসকলক পৃথক নিৰ্বাচনৰ সুবিধা দিয়া হৈছিল?

---------------------------------------------------------------

৩) মুছলীম লীগৰ দুটা উদ্দেশ্য লিখা।

---------------------------------------------------------------

---------------------------------------------------------------

---------------------------------------------------------------

৪) কোন চনত মুছলীম লীগ আৰু কংগ্ৰেছৰ মাজত সন্ধি স্থাপন হৈছিল?

---------------------------------------------------------------

**২.৩.৫ মুছলীম লীগত বিভাজন ঃ**

১৯২৭ চনৰ শেষত চাইমন আয়োগ ভাৰতত উপস্থিত হয়। চাইমন আয়োগ ভাৰতত উপস্থিত হোৱাৰ পিছতেই লীগৰ উচ্চ পৰ্য্যায়ৰ নেতাসকলৰ মাজত মনোমালিন্যই দেখা দিলে। সেই মনোমালিন্য দূৰ কৰিবৰ বাবে মুছলীম লীগৰ বিশিষ্ট নেতা মহম্মদ আলী জিন্নাই মুছলমান নেতাসকলৰ এখন অধিবেশনো আহ্বান কৰিছিল। অধিবেশনত হিন্দু- মুছলমানৰ মাজৰ সংঘাট দূৰ কৰাৰ বাবে যুটীয়া নিৰ্বাচন ব্যৱস্থাকেই উপযুক্ত বুলি বিবেচনা কৰা হৈছিল। কিন্তু এই সিদ্ধান্তই লীগত পুনৰ মতানৈক্যৰ সৃষ্টি কৰে আৰু মুছলীম লীগ দুটা ভাগত বিভক্ত হয়। ইয়াৰে এটা দলৰ নেতৃত্ব মহম্মদ আলী জিন্নাই আৰু আনটো দলৰ নেতৃত্ব মহম্মদ চাফীয়ে গ্ৰহণ কৰিছিল। জিন্নাৰ দলে মুছলমানসকলৰ বাবে যুটীয়া নিৰ্বাচন সমৰ্থন কৰিছিল। অন্যহাতে চাফীৰ দলে সুকীয়া নিৰ্বাচনৰ পক্ষপাতী আছিল। ১৯২৭ চনত দুয়োটা দলৰ অধিবেশন পৃথকে পৃথকে অনুষ্ঠিত হয়। জিন্নাৰ দলৰ অধিবেশন কলিকতাত আৰু চাফীৰ দলৰ অধিবেশন

লাহোৰত অনুষ্ঠিত হয়। জিন্নাৰ দলে লাহোৰ প্ৰতিবেদনক সমৰ্থন কৰাৰ বিপৰীতে চাফীৰ দলে তাক প্ৰত্যাখান কৰিছিল। অবশেষত জিন্নাই লীগৰ ৰাজনীতিত অতীষ্ঠ হৈ ভাৰত এৰি ইংলেণ্ডলৈ গুচি যায়।

### ২.৩.৬. জিন্নাৰ সাম্প্ৰদায়িক ৰাজনীতি ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে, মহম্মদ আলী জিন্না এজন প্ৰগতিবাদী নেতা আছিল। তেওঁ হিন্দু আৰু মুছলমানৰ মাজত একতা স্থাপনত বিশ্বাসী আছিল। লীগৰ ৰাজনীতি সাম্প্ৰদায়িক হোৱাটো তেওঁ বিচৰা নাছিল। বৰং কংগ্ৰেছৰ লগত সহযোগিতাৰে কাম কৰাৰ নীতিহে তেওঁ সমৰ্থন কৰিছিল। কিন্তু পিছলৈ বিভিন্ন কাৰণত জিন্নাই সাম্প্ৰদায়িক ৰাজনীতি গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। ইংলেণ্ডৰ পৰা ঘুৰি আহি ১৯২৯ চনত ছেপ্টেম্বৰ মাহত জিন্নাই লীগৰ এখন বিশেষ অধিবেশন আহ্বান কৰে আৰু সেই অধিবেশনতে তেওঁ এক চৈধ্যদফীয়া আঁচনি দাঙি ধৰে। উল্লেখযোগ্য যে, জিন্নাৰ চৈধ্যদফীয়া আঁচনিৰ ভিত্তিতেই চাফীৰ দলৰ লগত এক বুজাবুজি হয়। ১৪ দফীয়া আঁচনিত সন্নিবিষ্ট মূল বিষয়বোৰ আছিল এনে ধৰণৰ-

১) ভবিষ্যত ভাৰতৰ সংবিধানখন যুক্তৰাষ্ট্ৰীয় কৰি অবশিষ্ট ক্ষমতা প্ৰদেশবিলাকৰ হাতত অৰ্পন কৰিব লাগে।

২) প্ৰদেশসমূহৰ মাজত সমান ক্ষমতা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

৩) সকলো বিধান পৰিষদতে সংখ্যালঘুসকলৰ উপযুক্ত সংখ্যক প্ৰতিনিধিত্ব থাকিব লাগে।

৪) কেন্দ্ৰীয় বিধান পৰিষদত মুছলমানসকলৰ প্ৰতিনিধিত্ব ১/৩ ভাগতকৈ কম হ'ব নালাগে।

৫) সুকীয়া নিৰ্বাচনৰ যোগেদি ব্যবস্হা ৰখা সাম্প্ৰদায়িক গোটবিলাকৰ প্ৰতিনিধিত্ব অব্যাহত ৰখা।

৬) পঞ্জাৱ, বেংগল আৰু উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ সীমা পুনৰ নিৰ্ধাৰণৰ সময়ত মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলসমূহৰ ক্ষতি সাধন নকৰা।

৭) সকলো সম্প্ৰদায়কে পূৰ্ণ ধৰ্মীয় স্বাধীনতা প্ৰদান কৰা।

৮) কোনো বিলৰ ওপৰত কোনো সম্প্ৰদায়ৰ সদস্যসকলৰ ভিতৰত যদি ৩/৪ অংশই আপত্তি কৰে তেতিয়াহ'লে তেনে বিল বিধানমণ্ডলত গ্ৰহণ কৰিব নালাগে।

৯) বোম্বেৰ পৰা সিন্ধু প্ৰদেশক পৃথক কৰা।

১০) আন প্ৰদেশসমূহৰ নিচিনাকৈ উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু বেলুচিস্তানতো বিভিন্ন সংস্কাৰসমূহ কাৰ্যকৰী কৰিব লাগে।

১১) মুছলমানসকলক বিভিন্ন চাকৰি আৰু স্হানীয় চৰকাৰসমূহত উপযুক্ত সংখ্যক আসন দিবৰ বাবে সংবিধানত ব্যৱস্থা ৰাখিব লাগে।

১২) মুছলমানসকলৰ শিক্ষা, ভাষা, সংস্কৃতি, ধৰ্ম ইত্যাদি সুৰক্ষিত কৰিবৰ বাবে সংবিধানত উপযুক্ত ব্যৱস্থা ৰখা।

১৩) কেন্দ্ৰীয় আৰু প্ৰদেশিক মন্ত্ৰী পৰিষদত মুছলমান সকলৰ বাবে ১/৩ ভাগ আসনৰ ব্যবস্হা কৰিব লাগে।

১৪) প্ৰদেশবিলাকৰ মতামত নোলোৱাকৈ সংবিধান সংশোধন কৰিব নালাগে।

জিন্নাৰ চৈধ্যদফীয়া আঁচনিত সন্নিবিষ্ট প্ৰায়বোৰ দাবীয়েই সাম্প্ৰদায়িক পুৰস্কাৰৰ ৰূপত বৃটিছ চৰকাৰে মানি ল'লে। ১৯৪০ চনত পৃথক পাকিস্হানৰ দাবী উত্থাপনলৈকে এই চৈধ্যদফীয়া আঁচনিৰ ওপৰতে লীগৰ কাম-কাজ সীমাবদ্ধ হৈ থাকিল।

### ২.৩.৭ পাকিস্তান দাবীৰ কাৰণসমূহ ঃ

ভাৰতীয় মুছলমানসকলৰ মাজত গঢ়ি উঠা পৃথক জাতীয় চেতনাই সৰ্বশেষত পৃথক পাকিস্তান গঠনৰ দাবীৰ ৰূপত আত্মপ্ৰকাশ কৰিছিল। ১৯৩০ চনত এলাহবাদত বহা লীগৰ বছেৰেকীয়া অধিবেশনত মহম্মদ ইকবালে সভাপতিৰ আসনৰ পৰা প্ৰথম পৃথক পাকিস্তান গঠনৰ সপোনটো ব্যক্ত কৰে। অৱশ্যে সেই সময়তে তেওঁৰ সেই সপোন বাস্তৱত পৰিণত নহ'ল। কিন্তু ইকবালৰ সেই ঘোষণাই ৰহমত আলীৰ নেতৃত্বত কেম্ব্ৰিজত পঢ়া মুছলমান ছাত্ৰ সকলক প্ৰভাবিত কৰিছিল। ৰহমত আলীয়ে আনকি পঞ্জাব, আফগান প্ৰদেশৰ উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, কাশ্মীৰ, সিন্ধু আৰু বেলুচিন্তানক একগোট কৰি মুছলমানসকলৰ বাবে পৃথক পাকিস্তান ৰাষ্ট্ৰ সৃষ্টি কৰিবলৈ দাবী জনাই বৃটিছ সংসদৰ সদস্যসকলেও প্ৰত্ৰ প্ৰেৰণ কৰিছিল। অৱশ্যে মুছলমানসকলৰ কেইবাগৰাকী নেতাই পাকিস্তানৰ দাবীটো পূৰণ কৰাটো সম্ভৱ নহ'ব বুলি মত প্ৰকাশ কৰিছিল। অবশেষত ১৯৪০ চনৰ লাহোৰ অধিবেশনত মুছলীম লীগে মুছলমানসকলৰ কাৰণে পৃথক ৰাজ্যৰ দাবী কৰি প্ৰস্তাব গ্ৰহণ কৰে। এই প্ৰস্তাবযোগে চৰকাৰক জনোৱা হয় যে, মুছলমানসকলৰ কাৰণে মুছলীম সংখ্যাগৰিষ্ঠ অঞ্চলসমূহক একগোট কৰি এখন সুকীয়া ৰাষ্ট্ৰ গঠন নকৰিলে অন্য কোনো সাংবিধানিক সংস্কাৰৰ নীতি গ্ৰহণ নকৰিব। প্ৰথম অবস্থাত পাকিস্তানৰ দাবীটো প্ৰত্যাখান কৰা জিন্না পিছলৈ পাকিস্তানৰ মূল পৃষ্ঠপোষক হৈ পৰিল। অৱশ্যে পাকিস্তান গঠনৰ দাবীটো উত্থাপন হোৱাৰ কেইটামান কাৰণ আছিল। সেইকেইটা হ'ল-

১) কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰা প্ৰদেশবিলাকত মুছলীম লীগৰ লগত সংযুক্ত চৰকাৰ গঠন কৰিবলৈ অস্বীকাৰ কৰাটো পাকিস্তান দাবীৰ মূখ্য কাৰণ।

২) মুছলমানসকলৰ মনত সৃষ্টি হোৱা হতাশাৰ ভাবেও পাকিস্তানৰ দাবীটো উত্থাপনত অৰিহণা যোগাইছিল। ১৯৩৬-৩৭ চনৰ সাধাৰণ নিৰ্বাচনত পঞ্জাৱ, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু আৰু বেংগল এই চাৰিখন মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশত মুছলীম লীগ ক্ষমতালৈ অহাত ব্যৰ্থ হোৱা ঘটনাই মুছলীম লীগক একেবাৰে হতাশ কৰিছিল।

৩) মুছলমান সাম্প্ৰদায়ৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যই পাকিস্তানৰ দাবীটো উত্থাপন কৰা হৈছিল। ভালেমান মুছলমানলোকে হিন্দু সংখ্যাগৰিষ্ঠ একত্ৰিত ভাৰতত তেওঁলোকৰ ধৰ্ম, ভাষা, সংস্কৃতি আদি সুৰক্ষিত নহ’ব বুলি বিবেচনা কৰিছিল।

৪) হিন্দু সহাসভাৰ নেতাসকলে পোষণ কৰা কেতবোৰ মন্তব্যইও পাকিস্তানৰ দাবীটো উত্থাপনত অৰিহণা যোগাইছিল। সভাৰ কিছুমান নেতাই সংযুক্ত ভাৰতবৰ্ষত মুছলমানসকলৰ ভবিষ্যৎ উজ্জ্বল্ল নহয় বুলি ঘোষণা কৰিছিল।

৫) চেকোশ্লেভেকিয়াৰ চুদেটানসকলে চেকোশ্লেভেকিয়াৰ পৰা পৃথক হোৱাৰ বাবে কৰা আন্দোলনেও লীগক পাকিস্তানৰ দাবী উত্থাপন কৰাত অৰিহণা যোগাইছিল।

৬) ভালেমান মুছলমান নেতাই এখন সুকীয়া ৰাষ্ট্ৰৰ যোগেদিহে তেওঁলোকৰ ব্যক্তিগত আশা-আকাংক্ষা পূৰণ হ’ব বুলি ভাবিছিল।

৭) মুছলীম লীগৰ বহুসংখ্যক নেতাই উপলব্ধি কৰিছিল যে, বৃটিছসকল লীগৰ দাবীৰ প্ৰতি সহানুভূতিশীল আৰু তেওঁলোকৰ বৈষম্যমূলক শাসন নীতিয়ে লীগৰ দাবী পূৰণ কৰাত সহায়ক হ’ব। এনে ধৰণৰ চিন্তা-চৰ্চাইও মুছলীম লীগক পাকিস্তানৰ দাবীটো উত্থাপনৰ বাবে উদ্গনি যোগাইছিল।

এইদৰে বিভিন্ন কাৰণত মুছলীম লীগে পৃথক পাকিস্তানৰ দাবী উত্থাপন কৰিছিল। মুছলীম লীগৰ এই দাবীটো ভাৰতীয় জাতীয় কংগ্ৰেছে, জাতীয়তাবাদী মুছলমানকে আদি কৰি ভালেমান অমুছলমানে বিৰোধিতা কৰিছিল। কংগ্ৰেছে প্ৰথমতে পাকিস্তানৰ দাবীটোক বিৰোধিতা কৰিছিল যদিও পিচলৈ সেই দাবী মানি লৈছিল। হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষ ৰোধ কৰা, স্বাধীনতা প্ৰদানৰ গতি খৰতকীয়া কৰা আদি কেইবাটাও কাৰণত কংগ্ৰেছে পাকিস্তানৰ দাবীটো মানি লবলৈ বাধ্য হ’ল। অন্যহাতে বৃটিছ চৰকাৰেও কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজত এক বুজা-পৰাত

অহাৰ বাবে, ভাৰতক দুৰ্বল কৰা আৰু তেওঁলোকৰ বিভাজন আৰু শাসন নীতিৰ প্ৰয়োগ অব্যাহত ৰখাৰ বাবে মুছলীম লীগৰ পাকিস্তানৰ দাবীটো মানি ল'লে। অৱশেষত ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইনৰ জৰিয়তে ভাৰতক দুভাগ কৰি ভাৰত আৰু পাকিস্তান নামেৰে দুখন ৰাষ্ট্ৰ সৃষ্টি কৰা হ'ল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ঘ)ঃ**

১) চাইমন আয়োগ কেতিয়া ভাৰতলৈ আহিছিল?

---------------------------------------------------------------------

২) মুছলীম লীগলৈ কেতিয়া বিভাজন আহিছিল?

---------------------------------------------------------------------

৩) মহম্মদ আলী জিন্নাই কেতিয়া তেওঁৰ চৈফ্যদফীয়া আঁচনি দাঙি ধৰিছিল?

---------------------------------------------------------------------

৪) কোনখন অধিবেশনত মুছলীম লীগে পাকিস্হান গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল?

---------------------------------------------------------------------

## ২.৪. সামৰণি ঃ

এইটো গোট অধ্যয়ন কৰি তোমালোকে ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিলা। ১৮৮৫ চনত এলেন এক্টোভিয়ান হিউম নামৰ এজন বৃটিছ বিষয়াৰ পৃষ্ঠপোষকতাত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হয়। প্ৰতিষ্ঠা কালৰে পৰা ই বৃটিছ চৰকাৰৰ ওচৰত ভাৰতীয় জনসাধাৰণৰ নানা দাবী উত্থাপন কৰিছিল। প্ৰথম অৱস্থাত ই নৰমপন্থীসকলৰ দ্বাৰা পৰিচালিত হৈছিল যদিও পিচলৈ সম্পূৰ্ণৰূপে চৰমপন্হীসকলৰ নিয়ন্ত্ৰণলৈ যায়। তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে, চৰমপন্হীসকলৰ নেতৃত্বতে ভাৰতৰ জাতীয় আন্দোলনটোৰ সফল সামৰণি ঘটে।

তোমালোকে এই কথাও অৱগত হৈছা যে, ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন হোৱাৰ পিছত সমান্তৰালভাৱে মুছলীম লীগৰো জন্ম হয। লগে লগে ভাৰতত সাম্প্ৰদায়িক ৰাজনীতি আৰস্ক হ'ল। কিছুদিনৰ বাবে মুছলীম লীগ কংগ্ৰেছৰ সান্নিধ্যলৈ আহিছিল যদিও পিচলৈ ই মুছলমানসকলৰ বাবে পৃথক ৰাষ্ট্ৰ দাবীত অটল হৈ পৰিল। কংগ্ৰেছেও বহুটো দিশ বিবেচনা কৰি মুছলীম লীগৰ পাকিস্থানৰ দাবীটো মানি ল'লে। অৱশেষত ১৯৪৭ চনৰ স্বাধীনতা আইনৰ যোগেদি ভাৰত আৰু পাকিস্তান নামেৰে দুখন সুকীয়া ৰাষ্ট্ৰৰ সৃষ্টি হ'ল।

## ২.৫. ঘাই শব্দসমূহ ঃ

**সাম্রাজ্যবাদ ঃ** অর্থনৈতিক নিয়ন্ত্রণ আৰু ৰাজ্য বিস্তাৰৰ নীতি। উদাহৰণস্বৰূপে, ব্ৰিটিছে ভাৰতত এই নীতি প্ৰয়োগ কৰিছিল।

**নৰমপন্থী ঃ** কংগ্ৰেছৰ যিটো গোট আবেদন-নিবেদনৰ জৰিয়তে ভাৰতবাসীৰ স্বাৰ্থ পূৰণৰ চেষ্টা কৰিছিল সেইটো গোটক নৰমপন্থী বুলি কোৱা হৈছিল।

**চৰমপন্থী ঃ** চৰমপন্থী বুলি ক'লে কংগ্ৰেছৰ সেইটো গোটক বুজা যায় যি আবেদন- নিবেদনৰ পৰিবৰ্তে প্ৰত্যক্ষ সংগ্ৰামৰ জৰিয়তে ভাৰতবাসীৰ স্বাৰ্থ পৰিপূৰণত বিশ্বাসী আছিল।

**নেহেৰু প্ৰতিবেদন ঃ** ভাৰতীয় লোকে কেতিয়াও সকলোৰে গ্ৰহণযোগ্য এখন সংবিধান ৰচনা কৰিব নোৱাৰে বুলি Lord Biskenhead য়ে কৰা মন্তব্যৰ প্ৰত্যুত্তৰ হিচাপে মতিলাল নেহেৰুৰ নেতৃত্বত এখন কমিটি গঠন কৰা হৈছিল। সেই কমিটিখনে ১৯২৮ চনত সাংবিধানিক নীতি-নিয়ম সম্বলিত এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সেই প্ৰতিবেদন খনকে নেহেৰু প্ৰতিবেদন বুলি কোৱা হয়।

**সাম্প্ৰদায়িক পুৰস্কাৰ ঃ** পৃথক নিৰ্বাচনকে আদি কৰি ভাৰতৰ বিভিন্ন সম্প্ৰদায়লৈ বৃটিছ প্ৰধানমন্ত্ৰী ৰামছে মেকডলান্ডে ১৯৩২ চনৰ ১৬ আগষ্ট তাৰিখে আগবঢ়োৱা বিশেষ অনুগ্ৰহসমূহক সাম্প্ৰদায়িক পুৰস্কাৰ বুলি কোৱা হয়।

## ২.৬. পাঠ্য নিৰ্দেশনা ঃ

এইটো গোটত সন্নিবিষ্ট বিষয়সমূহ সম্পৰ্কত অধিক জানিবলৈ তলত দিয়া গ্ৰন্থকেইখনৰ সহায় ল'ব পাৰা।

১) ডঃ থানেশ্বৰ লাহন- — 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি' ষ্টুৰ্ডেন্টচ এম্প্ৰ'ৰিয়াম, ডিব্ৰুগড়, ২০০৪.

২) ডঃ কৃপেশচন্দ্ৰ পাল প্ৰতুল চন্দ্ৰ নায়ক–'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা, অৰুণ প্ৰকাশন, গুৱাহাটী, ২০১১

৩) K. K. Ghai --- "Indian Government and Politics", ` Kaylani Publishers, New Delhi, 2003.